# REGIONAL NEWS UNIT

AKASHVANI :: GUWAHATI

0000000000

**Date : 30-06-2025**

**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**::::::::::::::::::::::::::::::::**

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নুমলিগড় শোধনাগাৰত অসম বায়' ইথানল প্ৰাইভেট লিমিটেডৰ উদ্যোগত বাঁহৰ পৰা ইথানল প্ৰস্তুত কৰা প্ৰকল্পটো পৰিদৰ্শন কৰে। ড০ শৰ্মাই লগতে শোধনাগাৰত কৰ্মৰত আৱাসীসকলৰ বাবে ধনশিৰি নগৰ নামৰ নৱ নিৰ্মিত টাউনশ্বিপখনো উদ্বোধন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ইয়াৰ পাছত নুমলিগড় শোধনাগাৰ প্ৰাঙ্গনতে মন্ত্ৰী, সাংসদ, বিধায়ক আৰু উচ্চ পদস্থ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত বাঁহৰ পৰা ইথানল প্ৰস্তুত কৰা দেশৰ ভিতৰতে প্ৰথমটো প্ৰকল্পৰ উদ্বোধন আৰু নুমলিগড় শোধনাগাৰৰ পৰিৱৰ্তিত প্ৰকল্পসমূহৰ বিষয়ত আলোচনা কৰা হয়। বৈঠকত লগতে অহা ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণ সন্দৰ্ভতো আলোচনা কৰা হয়। ড০ শৰ্মাই সাংবাদিকৰ আগত কয়, যে ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰীয়ে উদ্বোধন কৰিবলগীয়া নুমলিগড়ৰ ইথানল প্ৰস্তুতকাৰী প্ৰকল্পৰ সফলতাই ৰাজ্যখনত অনাগত দিনত এনে ধৰণৰ বহু  উদ্যোগ স্থাপনৰ বাট মুকলি কৰিব। দ্বিতীয় এডভাণ্টেজ আচামত নুমলিগড় শোধনাগাৰ লিমিটেডে ৰাজ্যখনৰ কেইবাটাও স্থানত নতুন উদ্যোগ স্থাপনৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ইয়াৰ ভিতৰত কামৰূপত ৬৫০ কোটি টকা ব্যয় সাপেক্ষে এটা প্ৰকল্প ৰূপায়ণ কৰা হ'ব।

ড০  শৰ্মাই ইয়াৰ পূৰ্বে বোকাখাট সমজিলাৰ আৰৱ্ত ভৱনত   কিছুদিন পূৰ্বে গোলাঘাট জিলাৰ পানবাৰীৰ কেন্দ্ৰীয় সংৰক্ষিত বাহিনীৰ শিবিৰত গ্ৰেনেড বিস্ফোৰণত আঘাটপ্ৰাপ্ত ৩ গৰাকী জোৱানক সাক্ষাৎ কৰি তেওঁলোকৰ স্বাস্থ্যৰ বুজ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি জিলাখনত কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰে। ০০০

০০০০

ৰাজ্য চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ব সঞ্চালকালয় তথা খিলঞ্জীয়া জনজাতি বিশ্বাস আৰু সংস্কৃতি বিভাগৰ উদ্যোগত মঙলদৈ মহাবিদ্যালয়ত অনুষ্ঠিত ৫ দিনীয়া **প্ৰাচীন অসমীয়া পাণ্ডুলিপিৰ পঠন, লিখন আৰু অংকন** শীৰ্ষক কৰ্মশালাৰ আজি সামৰণি পৰে।  মহাবিদ্যালয়খনৰ বুৰঞ্জী বিভাগ আৰু আভ্যন্তৰীণ মান নিৰ্ধাৰণ কোষৰ সহযোগত অনুষ্ঠিত এই কৰ্মশালাৰ সামৰণি অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰৰ পাণ্ডুলিপি বিশেষজ্ঞ ধনজিৎ তালুকদাৰ উপস্থিত থাকে। কৰ্মশালাত আপুৰুগীয়া গ্ৰন্থ সংৰক্ষণ, সাঁচিপাতৰ পুথিৰ গুৰুত্বকে ধৰি বিভিন্ন বিষয়ত সমল ব্যক্তিসকলে তথ্যভিত্তিক ভাষণ দিয়ে।

০০০০

ওদালগুৰি জিলা ছেছন ন্যায়াধীশৰ আদালতে আজি টংলাৰ দুই ভাতৃক হত্যাৰ গোচৰত অভিযুক্ত নিৰোজ শৰ্মা নামৰ যুৱকজনক যাৱজ্জীৱন কাৰাদণ্ডৰ ৰায় দিয়ে। বিগত বৰ্ষৰ ২০ ডিচেম্বৰত নিজৰ দুজন সতিয়া ভাতৃক হত্যা কৰাৰ অভিযোগত যুৱকজনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছিল। এই ঘটনাৰ সম্পূৰ্ণ ছমাহৰ অন্তত আজি ন্যায়াধীশ এন এছ দেউৰীৰ বিচাৰপীঠে এই ৰায়দান কৰে। আদালতে লগতে ৩০ হাজাৰ টকাৰ জৰিমণা আৰু ১০ লাখ টকা নিকটআত্মীয়ক ক্ষতিপূৰণ দিয়াৰো নিৰ্দেশ দিয়ে।

০০০০

ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ সংৰক্ষিত এলেকাৰ ভিতৰত অবৈধভাৱে প্ৰৱেশ কৰি মাছ ধৰাৰ অভিযোগত ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই দুজন লোকক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰিছে। আমাৰ দৰং জিলাৰ সংবাদদাতাই জনোৱা মতে, ৰাষ্ট্ৰীয় উদ্যানখনৰ সীমান্তৱৰ্তী চন্দ্ৰপুৰ গাওঁ নিৱাসী মজিবুৰ ৰহমান আৰু চিৰাজুল ইছলাম নামৰ মাছমৰীয়া দুজনে চন্দ্ৰপুৰ বন শিবিৰ এলেকাত পিপলি চেং বা চেং গৰকা মাছ ধৰিছিল। উদ্যান কৰ্তৃপক্ষই লোক দুজনৰ পৰা প্ৰায় ৫০ ডাল বৰশীকে ধৰি অন্যান্য মাছধৰা সামগ্ৰী জব্দ কৰে।

০০০০

যোৰহাট জিলা দিৱস উদযাপনৰ প্ৰথম দিনৰ কাৰ্যসূচীৰ অংশ হিচাপে আজি জিলা প্ৰশাসনৰ উদ্যোগত আৰু লোক নিৰ্মাণ বিভাগৰ সৌজন্যত যোৰহাট পৌৰ সভা এলেকাৰ অন্তৰ্গত ক্লাব ৰোড, নআলি আৰু জিলাখনৰ কাকডোঙা নদীৰ সোঁ কাষৰ মথাউৰি আৰু পথত গছপুলি ৰোপণ কৰা হয়। জিলা আয়ুক্ত, তিতাবৰ সম-জিলা আয়ুক্ত আৰু তিতাবৰ বিধানসভা সমষ্টিৰ বিধায়কৰ উপস্থিতিত পৰিৱেশ সংৰক্ষণ আৰু বহনক্ষম উন্নয়নৰ চেতনা প্ৰবহমান কৰাৰ লক্ষ্যৰে এই কাৰ্যসূচী হাতত লোৱা হয়। ইয়াৰ পূৰ্বে যোৰহাট পৌৰসভা এলেকাৰ বিভিন্ন বিদ্যালয়, মহাবিদ্যালয় আৰু গুৰুত্বপূৰ্ণ ৰাজহুৱা স্থানসমূহত দেৱাল চিত্ৰ অংকন প্ৰতিযোগিতাও জিলা দিৱস উপলক্ষে আয়োজন কৰা হয়। জিলাখনৰ চহকী সাংস্কৃতিক ঐতিহ্য প্ৰদৰ্শন কৰাৰ লগতে জনগোষ্ঠীয় সংযোগৰ প্ৰসাৰৰ উদ্দেশ্যে জিলা প্ৰশাসনৰ উদ্যোগত এই প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

০০০০

নগাঁও জিলাৰ উন্নয়ন সমিতিৰ চলিত মাহৰ বৈঠকখন আজি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আয়ুক্ত দেৱাশিষ শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত হয়। জিলাখনৰ প্ৰতিটো বিভাগৰ কামকাজৰ খতিয়ান দৃশ্য শ্ৰাব্য মাধ্যমেৰে আয়ুক্তৰ সন্মুখত দাঙি ধৰাৰ পাছত শ্ৰী শৰ্মাই বিভিন্ন বিভাগৰ কামকাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। বিভিন্ন বিভাগসমূহ এখন আন্তঃজালিকাৰে পৰস্পৰৰ সৈতে জড়িত বুলি উল্লেখ কৰি আয়ুক্তগৰাকীয়ে কয়, যে সুচাৰুৰূপে কৰ্মসম্পাদন কৰিবলৈ সেয়েহে বিভাগসমূহে পৰস্পৰৰ সৈতে সমন্বয় ৰক্ষা কৰি চলিব লাগে। সভাখনত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ চিকাৰীয়া, জিলা উন্নয়ন আয়ুক্ত দেৱযানী চৌধুৰী, ৰহা সম-জিলাৰ সম-আয়ুক্তকে ধৰি বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

০০০০

বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে আজি কোকৰাঝাৰ জিলাৰ চেৰফানগুৰিত প্ৰয়াত টিকেন্দ্ৰজিৎ নাৰ্জাৰী স্মাৰক চিনেমা হল মুকলি কৰে। বি টি আৰৰ আঞ্চলিক চিনেমাৰ প্ৰসাৰৰ লক্ষ্যৰে নিৰ্মাণ কৰা এই চিনেমা হলটো অঞ্চলটোৰ সাংস্কৃতিক দিশতো গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হ'ব বুলি আশা কৰা হৈছে।

০০০০

শিৱসাগৰ জিলাৰ ধিতাইপুখুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক গুণ দত্তৰ আজি বিয়লি ভকতগাঁৱৰ নিজা বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯৩ বছৰ।

০০০০

সমাপ্ত